# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-9-2026
**Time :** 1800 PM

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত যোৰহাটত অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনৰ আজি দ্বিতীয় দিন।
২। দেশজুৰি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা গণেশ দেৱতাৰ পূজা-অৰ্চনা।
৩। জুবিন গাৰ্গৰ মৃত্যু গোচৰ সন্দৰ্ভত প্ৰবাসী অসমীয়া প্ৰতিম লহকৰৰ সাক্ষ্য প্ৰদান আৰু জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ।

**আৰু**

৪। দেশজুৰি আজি হিন্দী দিৱস উদযাপন।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাৰ সম উন্নয়ন, প্ৰশাসনিক বিষয় আৰু ভালেমান গুৰুত্বপূৰ্ণ বিষয়ক লৈ যোৰহাটত অনুষ্ঠিত জিলা আয়ুক্তসকলৰ সন্মিলনৰ আজি দ্বিতীয়টো দিন। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই সন্মিলনৰ বিভিন্ন কাৰ্যসূচীত মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু আৰু ৰামেশ্বৰ তেলীকে ধৰি ভালেকেইগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাক অধিক জনমুখী আৰু ফলপ্ৰসূ কৰাৰ লগতে তৃণমূল পৰ্যায়ত জনসেৱা অধিক উন্নত কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত সন্মিলনত আলোচনা কৰা হয়। এই সন্মিলনৰ কাৰ্যসূচী দিনৰ ১১ বজাত আৰম্ভ হয় আৰু নিশা ১১ বজাত ইয়াৰ সামৰণি পৰিব বুলি যোৰহাটৰ সংবাদদাতাই জনাইছে।

ooooo

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে। গণেশ চতুৰ্থী উপলক্ষে ৰাজ্যৰ গণেশ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজৰ আগমন হয় আৰু সকলোৱে সিদ্ধি দাতা গণেশ দেৱতাক পূজা-অৰ্চনা কৰে। এই দিনটো ভগৱান গণেশৰ জন্মদিন হিচাপে পালন কৰা হয়। ভগৱান গণেশ হৈছে জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ভগৱান গণেশ হৈছে জ্ঞান, সমৃদ্ধি আৰু পৱিত্ৰ আৰম্ভণিৰ প্ৰতীক। গণেশ চতুৰ্থী মহোৎসৱে আমাৰ জীৱনলৈ শক্তি, জ্ঞান আৰু ইতিবাচক চিন্তা কঢ়িয়াই আনে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে এই পৱিত্ৰ উৎসৱে সকলোকে নতুন সংকল্পৰে প্ৰগতিৰ পথেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভগৱান গণেশে প্ৰত্যেকৰে জীৱনলৈ সুখ, শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ বাবে প্ৰাৰ্থনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে এটা সংস্কৃত হিতোপদেশ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এই পৱিত্ৰ উৎসৱে প্ৰত্যেকৰে জীৱনত নতুন শক্তি আৰু উদ্দীপনা জগাই তুলিব বুলি কামনা কৰে। তেওঁ লগতে গণেশ দেৱতাৰ আশীৰ্বাদেৰে সকলো ক্ষেত্ৰত সফলতা প্ৰাপ্তিৰে দেশ নিৰন্তৰ প্ৰগতিৰ পথত আগুৱাই যাব বুলি কামনা কৰে।

ooooo

মাজুলীৰ ঐতিহ্যমণ্ডিত মুখা শিল্পই দেশ-বিদেশৰ লোকৰ মাজত বিশেষ সমাদৰ পাই আহিছে। মাজুলীৰ মুখা শিল্পৰ প্ৰতি আকৃষ্ট হৈ লণ্ডনৰ লেইলা নামৰ এগৰাকী বিদেশী নৃত্য আৰু পৰিবেশ্য কলাৰ শিল্পী মাজুলীত আহি উপস্থিত হৈছে। শিল্পীগৰাকীয়ে বাঁহ, কুমাৰ মাটি আৰু অন্যান্য প্ৰাকৃতিক উপাদানেৰে মুখা প্ৰস্তুত কৰাৰ কাৰ্যৰ প্ৰশিক্ষণ লৈছে। ১০-দিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত শিল্পীগৰাকীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰাৰ উপৰি জিলাখনৰ প্ৰাকৃতিক পৰিবেশত নৃত্য প্ৰদৰ্শন কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সত্ৰীয়া সংস্কৃতিৰ অংশ হিচাপে প্ৰৱৰ্তন কৰা এই মুখাশিল্পই পশ্চিমীয়া লোককো আকৃষ্ট কৰাত মুখা শিল্পৰ সৈতে জড়িত মাজুলীৰ জনসাধাৰণ উপকৃত হৈছে। এই মুখাশিল্পক জনসাধাৰণৰ সন্মুখত পৰিচিত কৰি দিয়াৰ লগতে জনপ্ৰিয় কৰি তোলা পদ্মশ্ৰী সন্মানেৰে সন্মানিত শিল্পী হেমচন্দ্ৰ গোস্বামীয়ে এইদৰে কয়-

বাইট (হেমচন্দ্ৰ)

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি চিমেন চাপৰিত অনুষ্ঠিত সেৱা সংকল্প অভিযানৰ সমষ্টি-ভিত্তিক এখন প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণ কৰে। জনসেৱা, সুশাসন আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ২৫ বছৰীয়া যাত্ৰাক স্মৰণ আৰু উদযাপনৰ লক্ষ্যৰে ৰাজ্যজুৰি হ'বলগীয়া সেৱা সংকল্প অভিযানৰ ৰূপায়ণৰ বাবে আজি জোনাই বিধানসভা সমষ্টিৰ চিমেন চাপৰিৰ বিহুতলীত অনুষ্ঠিত কৰ্মশালাত সাংসদ বৰুৱাই অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ হ'বলগীয়া এমাহজোৰা কাৰ্যসূচীৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। এই অভিযানৰ জৰিয়তে জনসাধাৰণৰ মাজত সেৱা, সুশাসন আৰু জনকল্যাণমূলক কাম-কাজৰ বাৰ্তা অধিক শক্তিশালীভাৱে লৈ যোৱাৰ লগতে বিভিন্ন জনকল্যাণমূলক আৰু সামাজিক কাৰ্যসূচী ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত তেওঁ দলীয় কৰ্মকৰ্তা তথা সতীৰ্থসকলক সহযোগ আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

জুবিন গাৰ্গৰ মৃত্যু গোচৰ সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। আজি তৃতীয়গৰাকী প্ৰবাসী অসমীয়া প্ৰতিম লহকৰৰ এই গোচৰ সংক্ৰান্তত সাক্ষ্য প্ৰদান আৰু জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। আজি অভিযুক্ত শেখৰ জ্যোতি গোস্বামী, অমৃত প্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ অধিবক্তাই শ্ৰী লহকৰক জেৰা কৰে। ইয়াৰ লগতে প্ৰবাসী অসমীয়া গৰাকীৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়াৰ সামৰণি পৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ফাষ্টট্ৰেক আদালতত ছিংগাপুৰৰ প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা আৰু সুস্মিতা গোস্বামীয়ে সাক্ষ্য প্ৰদান কৰিছিল।

০০০০০

দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰিছিল। বৰ্তমান সময়ত বিশ্বৰ ভালেসংখ্যক লোকে হিন্দী ভাষা ব্যৱহাৰ কৰাৰ লগতে ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা হৈছে হিন্দী।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰাৰ কথা। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত বিভিন্ন ভাৰতীয় ভাষাৰ সৈতে হিন্দীৰ সমন্বয়ৰ উপৰি চৰকাৰী ভাষা, জনসাধাৰণৰ ভাষা আৰু সংযোগী ভাষা হিচাপে হিন্দীৰ প্ৰসাৰ সন্দৰ্ভত বিভিন্ন খণ্ডৰ বিশেষজ্ঞ, সাহিত্যিক, ভাষাবিদ, শিক্ষাবিদ, সংসদৰ সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া তথা বিশিষ্ট ব্যক্তিসকলে ভাষণ দিব। আৰম্ভণি সত্ৰত শ্ৰীশ্বাহে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰিব। এই সত্ৰৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰগীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। এই

সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হ'ব।

গৃহমন্ত্ৰীগৰাকীয়ে হিন্দী দিৱস উপলক্ষে এটা বাৰ্তা শ্বেয়াৰ কৰি কয়, যে হিন্দী হৈছে ৰাষ্ট্ৰীয় ঐক্য বৰ্তাই ৰখাৰ এনাজৰী। ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত হোৱাত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্ দৰ্শনত হিন্দী আৰু অন্যান্য ভাষাসমূহে প্ৰযুক্তিগত উন্নয়নৰ সোণালী যুগত প্ৰৱেশ কৰা বুলি তেওঁ উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে হিন্দী দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে হিন্দী কেৱল এটা ভাষাই নহয়, হিন্দী হৈছে দেশৰ সংস্কৃতি, সভ্যতা আৰু জীৱন প্ৰমূল্যৰ প্ৰতিফলন।

ooooo

গুৱাহাটীৰ পৰিবেশ গৱেষণা সংস্থা **ভইচ অব এনভাইৰণমেণ্ট**ৰ উদ্যোগত আজি বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত পৰিবেশ সজাগতা সৃষ্টিৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰা হয়। **ৰেষ্ট ৰাইজ, ফিউচাৰ ৰাইজ ঃ বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনা আৰু থাৰ্মোকল ৰি-চাইক্লিং** শীৰ্ষক এই কাৰ্যসূচীত শিক্ষাৰ্থীসকলক আৱৰ্জনা ব্যৱস্থাপনা সন্দৰ্ভত কিছু শিক্ষা প্ৰদান কৰা হয়। এই কাৰ্যসূচীত বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনা, থাৰ্মোকল আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিবেশৰ দায়বদ্ধতা -এই তিনিটা বিষয় সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। মুঠ ৭৮জন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত ৩৫জন ছাত্ৰ আৰু ৪৩গৰাকী ছাত্ৰীৰ লগতে পৰিবেশ সংস্থাটোৰ সদস্যসকলে অংশগ্ৰহণ কৰে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ সহকাৰী অভিযন্তা নীৰজ কাশ্যপে থাৰ্মোকলৰ আৱৰ্জনা, পৰিবেশৰ ওপৰত ইয়াৰ প্ৰভাৱ, প্লাষ্টিক জ্বলোৱা আৰু আৱৰ্জনা নিষ্কাষণ পদ্ধতি সন্দৰ্ভত ভালেমান গুৰুত্বপূৰ্ণ কথাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে। ৰেষ্ট ৰাইজ আৰু ফিউচাৰ ৰাইজৰ দৰে কাৰ্যসূচীৰ জৰিয়তে ইতিবাচক আচৰণক আনুপ্ৰাণিত কৰাৰ লগতে দায়িত্বশীল তথা পৰিবেশ সচেতন প্ৰজন্ম গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰা হয়। এই কাৰ্যসূচী সন্দৰ্ভত সংস্থাটোৰ এগৰাকী অন্যতম সদস্য মহাৰাণা চৌধুৰীয়ে এনেদৰে কয়।

বাইট (মহাৰাণা চৌধুৰী)

এই একেটা অনুষ্ঠানতে **থিংক গ্ৰীণ, এক্ট গ্ৰীণ** নামৰ আন এটা কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। লগতে পৰিবেশ বিষয়ক কুইজ অনুষ্ঠিত কৰাৰ মাধ্যমেৰে শিক্ষাৰ্থীসকলক পৰিবেশ সুৰক্ষাৰ দিশত আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা লোৱা হয়।

ooooo

সমাপ্ত